মোৰ উম্মতৰ এটা দল সদায় বিজয়ী থাকিব, অৱশেষত আল্লাহৰ নিৰ্দেশ (কিয়ামত) আহি পৰিব আৰু তেওঁলোক বিজয়ী অৱস্থাতে থাকিব।

মুগীৰাহ বিন শ্বুবাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "মোৰ উম্মতৰ এটা দল সদায় বিজয়ী থাকিব, অৱশেষত আল্লাহৰ নিৰ্দেশ (কিয়ামত) আহি পৰিব আৰু তেওঁলোক বিজয়ী অৱস্থাতে থাকিব।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মোৰ উম্মতৰ এটা দল সদায় মানুহৰ ওপৰত বিজয়ী হৈ থাকিব, শত্ৰুসকলক পৰাস্ত কৰিব, তেওঁলোকৰ এই ধাৰাবাহিকতা কিয়ামত পৰ্যন্ত থাকিব, অৱশেষত শেষ জামানাত কিয়ামতৰ পূৰ্বে আল্লাহে তেওঁলোকৰ প্ৰাণ হৰণ কৰিব।

http://www.sunnah.global/hadeeth/as/show/65879